**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 07-10-2025** **Time :** 1205 Hrs

***Assamese Midday Bulletin***

---------------------------

০০০০০০

বুনিয়াদী অৰ্থনীতি সবলীকৰণেৰে ৰাজ্যক প্ৰগতিৰ দিশত লৈ যোৱাৰ লক্ষ্যৰে অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় ৰূপায়ণৰ সকলো ব্যৱস্থা সম্পূৰ্ণ কৰা হৈছে। আজি গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত অৰুণোদয়ৰ তৃতীয় পৰ্যায়ৰ শুভাৰম্ভণী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে ভাষণ দিয়ে। তেওঁ কয়, যে অৰুণোদয় আঁচনিৰ অধীনত কোনো লোকে ধন নাপালে, ততালিকে সংশ্লিষ্ট কৰ্তৃপক্ষক অভিযোগ কৰিবলৈ আহ্বান জনায়। মহিলা হিতাধিকাৰীসকলক এই আঁচনিৰ ধন সময়মতে পাবলৈ যোগাযোগৰ বাবে একাউণ্ট সংযোগী ফোন নম্বৰ আৰু বেংকৰ কে ৱাই চি টো সক্ৰিয় কৰি ৰাখিবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে আহ্বান জনাইছে। এই আঁচনিৰ অধীনত ৩৮ লাখৰো অধিক পৰিয়ালক অন্তৰ্ভুক্ত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ৰাজ্যৰ ২৫ হাজাৰৰো অধিক স্থানত কাইলৈ এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই লগতে কয়, যে অহা বছৰৰ ফেব্ৰুৱাৰীত চৰকাৰে মাতৃসকলৰ বাবে ডাঙৰ উপহাৰ আগবঢ়াব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই ইতিমধ্যে বিটিআৰৰ জিলাসমূহৰ বাহিৰে ৰাজ্যৰ সকলো জিলাৰ আয়ুক্ত সকলক অৰুণোদয় আঁচনিৰ ৰূপায়ণৰ কাম যথাযথভাৱে সম্পন্ন কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি লোকসেৱা ভৱনত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ এখন বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত ৰাষ্ট্ৰীয় পেঞ্চন আঁচনিৰ অধীনত সামৰি লোৱা ৰাজ্যিক কৰ্মচাৰীৰ বাবে ইউনিফাইড পেঞ্চন আঁচনি প্ৰৱৰ্তনত অনুমোদন জনোৱা হয়। সেৱা কাল সম্পূৰ্ণ হোৱা আৰু স্বেচ্ছাই অৱসৰ লোৱাৰ পাছত কৰ্মচাৰীসকলে পেঞ্চনৰ ধন লাভ কৰিব।

মন্ত্ৰীসভাৰ বৈঠকত ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ আৰু চৰাঞ্চলত নিয়োজিত শিক্ষয়িত্ৰীসকলক পাঁচ বছৰ সেৱা সম্পূৰ্ণ কৰাৰ পাছত তেওঁলোকৰ গৃহ বা নিকটৱৰ্তী জিলালৈ বদলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

সমগ্ৰ শিক্ষা অভিযানৰ অধীনত পূৰ্বৰ ৫ বছৰৰ পৰিৱৰ্তে ৩ বছৰ সেৱা সম্পূৰ্ণ কৰা শিক্ষকসকলক চৰকাৰী শিক্ষক হিচাপে নিয়মীয়াকৰণতো মন্ত্ৰীসভাই অনুমোদন জনায়।

চৰকাৰী বিদ্যালয়ত অধ্যয়নৰত নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত বিতৰণৰ বাবে চাইকেল ক্ৰয়ত অনুমোদন জনোৱা লগতে মন্ত্ৰীসভাই স্নাতক প্ৰথম বৰ্ষৰ পাঠ্যক্ৰমত নামভৰ্তি কৰা শিক্ষাৰ্থীৰ নামভৰ্তিৰ মাচুল পৰিশোধৰ বাবে **প্ৰজ্ঞান ভাৰতী আঁচনি**ৰ অধীনত ১২৬ কোটি ৯৭ লাখ টকাৰ বিত্তীয় আৱণ্টন দিয়ে। কালিৰ বৈঠকত মাষ্টাৰ ৰোল, অস্থায়ী আৰু স্থিৰ দৰমহা লাভ কৰা এহেজাৰ ২৩১ গৰাকী কৰ্মচাৰীক ন্যূনতম দৰমহা প্ৰদানত অনুমোদন জনোৱা হয়।

০০০০০০০

নিৰ্দিষ্ট ধৰ্মৰ ভিত্তিত কোনো দখলকাৰীয়ে সুৰক্ষা নাপাব বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ে শেহতীয়াকৈ এটা গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰিছে। ৰাজ্যৰ খিলঞ্জীয়া মুছলমান সম্প্ৰদায়ৰ অন্তৰ্গত হোৱাৰ পাছতো চৰকাৰে অবৈধভাৱে ঘৰ ভাঙি দিয়াৰ অভিযোগ তুলি সদৌ অসম গৰিয়া যুৱ-ছাত্ৰ পৰিষদে উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। এই আবেদনৰ জৰিয়তে সংগঠনটোৱে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই খিলঞ্জীয়া লোকে চৰকাৰী ভূমি দখল কৰিলে সেয়া চৰকাৰে অবৈধ দখল হিচাপে গণ্য নকৰে বুলি মন্তব্য আগবঢ়াইছিল। মুখ্যমন্ত্ৰীৰ এই বক্তব্য বিভিন্ন মাধ্যমত যোৱা ২ আগষ্টত প্ৰকাশ পোৱাৰ পাছতো খিলঞ্জীয়া মুছলমান সম্প্ৰদায়ক লক্ষ্য হিচাপে লৈ চৰকাৰে উচ্ছেদৰ জাননী জাৰি কৰাত সংগঠনটোৱে উচ্চ ন্যায়ালয়ৰ হস্তক্ষেপ বিচাৰি এই আবেদন দাখিল কৰিছিল। ন্যায়ালয়ে সকলো পক্ষৰ যুক্তি শুনি এই কথা স্পষ্ট কৰি দিয়ে যে ধৰ্মৰ ভিত্তিত কোনো লোকে সুৰক্ষা নাপায় আৰু আইন সকলোৰে ক্ষেত্ৰত সমানে প্ৰযোজ্য। অসম বন অধিনিয়ম,

১৮৯১ উলংঘা কৰি বনভূমি দখল কৰা যিকোনো ধৰ্মৰ লোকৰ বিৰুদ্ধে চৰকাৰে উচ্ছেদ চলাব পাৰিব বুলি ন্যায়ালয়ে প্ৰকাশ কৰে। ইয়াৰ উপৰি সদৌ গৰিয়া যুৱ ছাত্ৰ পৰিষদ পঞ্জীয়নকৃত সংগঠন নহয় বাবে সংগঠনটোৰ আবেদনখন গ্ৰহণযোগ্য নহয় বুলি ব্যক্ত কৰি ন্যায়ালয়ে কয়, যে উচ্ছেদৰ বিষয়টো ব্যক্তিৰ সৈতেহে জড়িত। যদি কোনো লোকে তেওঁলোকৰ বিৰুদ্ধে আইন বিৰোধী ব্যৱস্থা লোৱা বা কোনো অধিকাৰ খৰ্ব হোৱা বুলি ভাবে, তেন্তে তেওঁলোকে উপযুক্ত মঞ্চৰ দ্বাৰস্থ হ'ব পাৰিব।

০০০০০০০

বিশিষ্ট বোলছবি পৰিচালক তথা ৰজত কমল বঁটা প্ৰাপক শিল্পী অৰূপ বৰঠাকুৰ আৰু নাই। কালি নিশা মহানগৰীৰ এখন ব্যক্তিগত হাস্পতালত চিকিৎসাধীন অৱস্থাত তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৯ বছৰ।

১৯৯১ চনত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত অসমীয়া ছুটি ছবি নতুন আশাৰ বাবে সেই সময়ৰ ৰাষ্ট্ৰপতি আৰ ভেংকটৰমনৰ পৰা অৰূপ বৰঠাকুৰে ৰজত কমল বঁটা লাভ কৰিছিল। তেওঁ ভাৰত-তীববত সহযোগ মঞ্চ, অসম প্ৰান্তৰ উপদেষ্টা আৰু অসম নাট্য সন্মিলনৰ উপ-সভাপতি তথা ৰাজ্য চৰকাৰৰ শিল্পী পেঞ্চন বঁটা আৰু ২০২৩ চনৰ ৰাষ্ট্ৰীয় ক্ৰীড়া সাংস্কৃতিক উৎসৱৰ জীৱনজোৰা সাধনা বঁটা লাভ কৰিছিল। বৰঠাকুৰৰ মৃত্যুত বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০০

হোজাই জিলাৰ শিলগুৰি বস্তিত আজি সংঘটিত এটা শোকাৱহ দুৰ্ঘটনাত গাড়ী চলাই থকা অৱস্থাতে অগ্নিদগ্ধ হৈ এজন লোকৰ মৃত্যু হয়। মৃত লোকজন হোজাই শিলগুৰি বস্তিৰ হাৰাধন সূত্ৰধৰ বুলি জানিব পৰা গৈছে। ৬১ বছৰীয়া হাৰাধন সূত্ৰধৰে নিজৰ টেম্পো বাহনলৈ শিল ভৰাবলৈ আহি থকা অৱস্থাত বাহনখনত যান্ত্ৰিক বিজুতি ঘটাৰ ফলত বাহনখনত জুই লাগে। ঘটনাস্থলীত হোজাই আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০০

কামৰূপ জিলাৰ আমিনগাঁৱত অনুষ্ঠিত বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতে জয়েৰে অভিযান আৰম্ভ কৰিছে। কালি অনুষ্ঠিত গ্ৰুপৰ প্ৰথমখন খেলত ভাৰতে নেপালক ২-০ৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতে আজি শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কালি অনুষ্ঠিত গ্ৰুপৰ আন এখন খেলত শ্ৰীলংকাই সংযুক্ত আৰব আমীৰি ৰাষ্ট্ৰক পৰাস্ত কৰে। কালি অনুষ্ঠিত আন কেইখনমান খেলত ফ্ৰান্সে নৰ'ৱেক, আমেৰিকাই ভিয়েটনামক, তুৰস্কই উগাণ্ডাক, চীনে ঘানাক, চাইনিজ টাইপেই ব্ৰাজিলক, ডেনমাৰ্কে নেডাৰলেণ্ডক পৰাস্ত কৰে।

০০০০০০০

**সমাপ্ত**